# অধ্যায়-১২

# বেংকৰ গ্ৰাহক আৰু বেংকিং লোকপাল
# BANK CUSTOMERS AND BANKING OMBUDSMAN

**গ্ৰাহকৰ অৰ্থ** (Meaning of Customer) ঃ

কোনো সামগ্ৰী বা সেৱা ভোগ কৰাজনকে সাধাৰণ অৰ্থত গ্ৰাহক বুলি কোৱা হয়। গ্ৰাহক শব্দটো উদ্ভৱ হৈছে ইংৰাজী শব্দ 'custom' (কাষ্টম)ৰ পৰা। কিন্তু বেংকৰ গ্ৰাহকৰ ক্ষেত্ৰত ইয়াৰ অৰ্থ সম্পূৰ্ণ সুকীয়া। আচলতে বেংকৰ গ্ৰাহকৰ বিধিগত সংজ্ঞা দেখিবলৈ পোৱা নাযায়। যিয়ে বেংকৰ লগত লেনদেন কৰে, আপাত দৃষ্টিত তেওঁকেই বেংকৰ গ্ৰাহক বুলি গণ্য কৰা হয়। অৱশ্যে, বেংকৰ লগত লেনদেন কৰিবলৈ হ'লে নিজৰ নামত যিকোনো একপ্ৰকাৰৰ হিচাব খুলিব লাগিব। কোনো ব্যক্তি বা প্ৰতিষ্ঠানে বেংকত হিচাব খুলি লেনদেন কৰি থাকিলেহে তেওঁক প্ৰকৃত গ্ৰাহক হিচাপে গণ্য কৰা হয়।

বেংক বিশেষজ্ঞসকলে 'গ্ৰাহক' সম্বন্ধে বিভিন্ন মতামত আগবঢ়াইছে। ছাৰ জন পেগেটৰ মতে— "এবাৰ মাত্ৰ বেংকৰ লগত লেনদেন কৰিলে তেওঁক বেংকৰ গ্ৰাহক হিচাপে স্বীকৃতি দিব পৰা নাযায়। বেংকৰ গ্ৰাহক হ'বলৈ হ'লে নিয়মিতভাৱে লেনদেন কৰি থাকিব লাগিব আৰু তেতিয়াহে সেই অভ্যাসটোক বেংকে স্বীকৃতি দিব।"

ছাৰ জন পেগেটৰ ব্যাখ্যাৰ পৰা দেখা যায় যে বেংকৰ গ্ৰাহক হ'বলৈ হ'লে তলৰ চৰ্ত দুটা গ্ৰাহকজনে পূৰণ কৰিব লাগিব—

১) গ্ৰাহক আৰু বেংকৰ মাজত নিয়মিত লেনদেনৰ অভ্যাস থাকিব লাগিব।

২) নিয়মিতভাৱে হোৱা লেনদেনসমূহ বেংকিং প্ৰকৃতিৰ হ'ব লাগিব।

'গ্ৰাহক' সম্বন্ধে এইচ্ এল হাৰ্টে (Dr. H. L. Hart) আগবঢ়োৱা সংজ্ঞাটো হ'ল— বেংকৰ গ্ৰাহক

হ'ল তেনে এজন ব্যক্তি যাৰ নামত বেংকৰ সৈতে এটা হিচাব থাকে আৰু যাৰ নামত বেংকে অভ্যাসগতভাৱে কাৰ্য্য কৰাৰ দায়িত্ব বহন কৰে।"

বৰ্তমানত বেংকৰ গ্ৰাহকৰ ধাৰণাটো বিস্তৃতভাৱে আমূল পৰিৱৰ্তন হৈছে। গোলকীয় বিশ্বত বেংকৰ গ্ৰাহক হ'ল এনে এগৰাকী ব্যক্তি, যিয়ে বেংকৰ লগত নিয়মিতভাৱে লেন-দেন সংঘটিত কৰে। যাৰ ফলস্বৰূপে বেংকৰ গ্ৰাহকজনে বেংকে আগবঢ়োৱা বিভিন্ন ধৰণৰ সা-সুবিধাসমূহ গ্ৰহণ কৰিব পাৰে।

বেংকৰ গ্ৰাহক হ'বলৈ হ'লে তলত উল্লেখ কৰা চৰ্তসমূহ পূৰণ কৰিব লাগিব—

১) সঞ্চয়ী বেংক হিচাব, চলিত জমা হিচাব, ম্যাদী জমা হিচাব আৰু পৌনঃপুনিক জমা হিচাবৰ যিকোনো এটা হিচাব ব্যক্তি বা প্ৰতিষ্ঠানটোৰ নিজা নামত থাকিব লাগিব।

২) বেংক আৰু গ্ৰাহকৰ মাজত হোৱা লেন-দেনবোৰ বেংকিং প্ৰকৃতিৰ হ'ব লাগিব। বেংকে আগবঢ়োৱা কিছুমান জনপোযোগী সেৱা গ্ৰহণে ব্যক্তিজনক বেংকৰ গ্ৰাহক হিচাপে স্বীকৃতি প্ৰদান নকৰে যদিহে তেওঁৰ যিকোনো এটা হিচাব নাথাকে।

৩) ব্যক্তিগৰাকীৰ জমাৰ বিপৰীতে ধনাদেশ গ্ৰাহ্য কৰিব লাগিব আৰু ধন পৰিশোধৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

**বিশেষ প্ৰকাৰৰ বেংকৰ গ্ৰাহক** (SPECIAL TYPES OF BANK CUSTOMER) ঃ

জনসাধাৰণক বেংকৰ লগত জড়িত কৰি জমা সংগ্ৰহ কৰাটোৱেই হৈছে বাণিজ্যিক বেংকৰ প্ৰাথমিক উদ্দেশ্য। সেয়েহে বেংকে বিভিন্ন প্ৰকাৰৰ হিচাব খুলিবলৈ গ্ৰাহকক আবেদন জনায়। হিচাব খুলিবলৈ খোজা প্ৰত্যেকজন ব্যক্তিয়ে বেংকৰ চৰ্ত আৰু নিয়মাৱলী মানি চলিবলগীয়া হয়।

কোনো ব্যক্তি বা প্ৰতিষ্ঠানে বেংকত নিজ নামত যিকোনো এক প্ৰকাৰৰ হিচাব খুলি সু-সম্পৰ্ক বজাই ৰাখি লেনদেন কৰে তাকে বেংকৰ গ্ৰাহক বোলে। সাধাৰণতে বেংকৰ গ্ৰাহকক দুই ভাগত বিভক্ত কৰিব পাৰি—

(১) সাধাৰণ গ্ৰাহক (২) বিশেষ গ্ৰাহক

সাধাৰণ গ্ৰাহকৰ হিচাব খুলি লেনদেন কৰাত বেংকৰ বিশেষ অসুবিধা নাই। কিন্তু বিশেষ গ্ৰাহকৰ হিচাব খুলি লেনদেন কৰোতে বেংকে সাৱধানতা অৱলম্বন কৰিবলগীয়া হয়। বিশেষ প্ৰকাৰৰ বেংকৰ গ্ৰাহকক বিভিন্ন ধৰণে আলোচনা কৰিব পাৰি। সেইবোৰৰ ভিতৰত হ'ল—

(ক) নাবালক (Minor)

(খ) অশিক্ষিত ব্যক্তি (Illiterate Person)

(গ) যৌথ হিচাব (Joint Account)

(ঘ) অংশীদাৰী প্ৰতিষ্ঠান (Partnership Firm)

(ঙ) কোম্পানী (Company)

## (ক) **নাবালক** (MINOR) ঃ

সাধাৰণতে যি ব্যক্তিৰ ১৮ বছৰ পূৰ্ণ হোৱা নাই, তেওঁলোকক নাবালক বুলি কোৱা হয়। ভাৰতীয় প্ৰাপ্তবয়স্ক আইন ১৮৭৫ চনৰ, ধাৰা ৩ অনুসৰি যিজন ব্যক্তিৰ বয়স ১৮ বছৰ পূৰ্ণ হোৱা নাই তেওঁকহে নাবালক ৰূপে গণ্য কৰা হয়। অৱশ্যে ১৮ বছৰ বয়স সম্পূৰ্ণ হোৱাৰ আগতে যদি কোনো নাবালকৰ তত্ত্বাৱধানৰ বাবে এগৰাকী অভিভাৱক নিযুক্ত কৰে, তেনে ক্ষেত্ৰত নাবালকে ২১ বছৰ পূৰ্ণ হ'লেহে সাবালকত্ব লাভ কৰে। ভাৰতীয় চুক্তি আইন ১৮৭২ চনৰ ধাৰা ১১ অনুসৰি নাবালক এজনে কোনা ধৰণৰ বৈধ চুক্তি সম্পাদনা কৰিব নোৱাৰে। সেয়েহে ভাৰতীয় চুক্তি আইনে নাবালকৰ দ্বাৰা স্বাক্ষৰিত চুক্তি আৰম্ভণিৰ পৰা বাতিল বুলি গণ্য কৰে। অন্যহাতেদি দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় সম্পৰ্কীয় চুক্তিক বৈধ বুলি গণ্য কৰা হয়। ওপৰোক্ত আলোচনাৰ পৰা চালে দেখা যায় যে নাবালকে বেংকৰ লগত চুক্তি কৰি হিচাব খুলিব নোৱাৰা যেন লাগে।

সাধাৰণতে দেখা যায় সকলো বেংকতে নাবালকৰ হিচাব খোলা আৰু পৰিচালনা কৰা হয়। নাবালক এজনে বেংকত হিচাব খুলিব পাৰে। অৱশ্যে নাবালকৰ নামত হিচাব খোলোতে বেংকে অত্যন্ত সতৰ্কতা অৱলম্বন কৰিব লাগে।

**সতৰ্কতামূলক ব্যৱস্থাসমূহ** (Precautionary Measures) ঃ

বেংকে এজন নাবালকৰ নামত হিচাব খোলাৰ সময়ত তলত উল্লিখিত সতৰ্কমূলক ব্যৱস্থাসমূহৰ ওপৰত মনোযোগ দিবলগীয়া হয়—

১) **হিচাবৰ প্ৰকৃতি** (Nature of Accounts) ঃ

সাধাৰণতে বেংকে এজন নাবালকৰ নামত সঞ্চয়ী বেংক হিচাব খুলিব পাৰে। বেংকে নাবালকৰ নামত চলিত জমা হিচাব খুলিবলৈ দিয়া দেখা নাযায়। কাৰণ চলিত জমা হিচাবত জমা থকা ধনতকৈ অতিৰিক্ত ধন আদায় কৰিলে তেনে ধনৰ বাবে বেংকে নাবালকজনক ব্যক্তিগতভাৱে দায়বদ্ধ কৰিব নোৱাৰে। তলত উল্লেখ কৰা ধৰণে সঞ্চয়ী বেংক হিচাব এটা নাবালকৰ নামত খুলিব পাৰে—

(ক) নাবালকৰ নিজ নামত

(খ) নাবালক আৰু অভিভাৱকৰ যৌথ নামত

(গ) নাবালকৰ অভিভাৱকৰ নামত, কিন্তু হিচাবটো অভিভাৱকৰ দ্বাৰা পৰিচালনা কৰা হ'ব।

বেংকে নাবালকৰ নামত স্থায়ী জমা হিচাব আৰু পৌনঃপুনিক জমা হিচাবও খুলিব পাৰে।

২) **নাবালকৰ জন্মৰ তাৰিখ** (Date of birth of the minor) ঃ

নাবালকৰ হিচাব খোলাৰ পূৰ্বে নাবালকে বা অভিভাৱকে প্ৰ-পত্ৰৰ সৈতে বেংকত জমা দিয়া প্ৰমাণ পত্ৰ অনুসৰি নাবালকৰ জন্মৰ তাৰিখ লিপিৱদ্ধ কৰিব লাগে।

৩) **নাবালকৰ মৃত্যু** (Death of the minor) ঃ

যদি দুৰ্ভাগ্যবশতঃ নাবালকজনৰ মৃত্যু হয়, তেতিয়া বেংকে নাবালকৰ অভিভাৱকক হিচাবৰ জমাধন পৰিশাধ কৰিব লাগে।

৪) **অভিভাৱকৰ মৃত্যু** (Death of Guardian) ঃ

যদিহে নাবালকজন সাবালক হোৱাৰ আগতে অভিভাৱকৰ মৃত্যু হয় আৰু হিচাবটো অভিভাৱকৰ নামত নতুবা যৌথভাৱে থাকে, তেতিয়া তেনে হিচাবত বেংকে নাবালকজন সাবালক হোৱাৰ পিছত জমাধন পৰিশাধ কৰিব লাগে। আনহাতে, তেনে হিচাবত যদি আদালতৰ দ্বাৰা নিযুক্তি দিয়া অভিভাৱক থাকে, তেনে সেইজন অভিভাৱকক বেংকে জমা ধন পৰিশোধ কৰিব পাৰে।

৫) **অংশীদাৰী হিচাপে নাবালক** (Minor as a Partner) ঃ

সাধাৰণতে নাবালক এজনে অংশীদাৰী প্ৰতিষ্ঠানৰ অংশীদাৰ হ'ব নোৱাৰে। কিন্তু সকলো অংশীদাৰৰ সৰ্বসন্মতি সাপেক্ষে নাবালকক ব্যৱসায় প্ৰতিষ্ঠানটোৰ লাভৰ অংশীদাৰ কৰিব পৰা যায়। এনে ক্ষেত্ৰত নাবালক এজনে ব্যৱসায় প্ৰতিষ্ঠানটোৰ সা-সম্পত্তি আৰু লাভৰ অংশ সমানে পায়। অৰ্থাৎ নাবালকত্বৰ সময়ছোৱাত ব্যৱসায় প্ৰতিষ্ঠানটোৰ লোকচানৰ বাবে নাবালকক দায়বদ্ধ কৰিব পৰা নাযায়।

৬) **প্ৰতিনিধি হিচাপে নাবালক** (Minor as an Agent) ঃ

নাবালক এজনে প্ৰতিনিধি হিচাপেও কাম কৰিব পাৰে। এই ক্ষেত্ৰত বেংকে মুখ্য ব্যক্তি বা গৰাকীৰ পৰা নাবালকজনৰ ক্ষমতা সম্পৰ্কে লিখিত কৰ্তৃত্ব সংগ্ৰহ কৰিব লাগে। নাবালকৰ মুখ্য ব্যক্তি বা গৰাকীজন সাবালক হ'ব লাগিব। নহ'লে নাবালকৰ প্ৰতিনিধিয়ে তৃতীয় পক্ষৰ লগত কৰা সকলো ধৰণৰ চুক্তি বাতিলযোগ্য বুলি বিবেচিত কৰা হ'ব।

### (খ) **অশিক্ষিত ব্যক্তি** (ILLITERATE PERSON) ঃ

এগৰাকী অশিক্ষিত ব্যক্তিয়েও বেংকত হিচাব খুলি বেংকৰ গ্ৰাহক হ'ব পাৰে। কাৰণ বেংকত নিজ নামত হিচাব খোলাৰ বাবে প্ৰত্যেকজন ব্যক্তিৰেই সম অধিকাৰ আছে। অশিক্ষিত ব্যক্তি এজনে হিচাব খোলাৰ

পিছত বেংক আৰু গ্ৰাহকৰ মাজত সম্পৰ্ক স্থাপন হয় আৰু গ্ৰাহকৰ প্ৰতি বেংকৰ দায়িত্ব বাঢ়ে। অৱশ্যে বেংকৰ দায়িত্বশীল বিষয়াৰ দ্বাৰা অশিক্ষিত ব্যক্তিজনক নীতি-নিয়ম সম্পৰ্কে তন্ন-তন্নকৈ বুজাই দিব লাগে। কিন্তু মনকৰিবলগীয়া কথা এয়ে যে অশিক্ষিত ব্যক্তিৰ নামত হিচাব খোলোতে আৰু লেনদেনৰ সময়ত বেংকে যথেষ্ট সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**সতৰ্কতামূলক ব্যৱস্থাসমূহ** (Precautionary Measures) ঃ

১) **বুঢ়া আঙুলিৰ ছাপ** (Thumb Impression) ঃ

বেংকৰ নিৰ্দিষ্ট হিচাব খোলা আবেদন প্ৰ-পত্ৰখনত ব্যক্তিজনৰ বাঁওহাতৰ বুঢ়া আঙুলিৰ ছাপ বা টিপচহী স্পষ্টকৈ সংগ্ৰহ কৰিব লাগে। স্বাক্ষৰৰ নমুনা পত্ৰখনৰ নিৰ্দিষ্ট স্থানত বেংকৰ দায়িত্বশীল বিষয়াৰ উপস্থিতিত এই চহী সংগ্ৰহ কৰিব লাগে।

২) **চিনাক্তকৰণ চিহ্ন** (Indentification Mark) ঃ

অশিক্ষিত ব্যক্তিৰ হিচাব খোলাৰ সময়ত বেংকৰ কোনো দায়িত্বশীল বিষয়াৰ উপস্থিতিত গ্ৰাহকৰ শৰীৰত থকা কোনো চিনাক্তকৰণ চিহ্ন বা বিশেষ চিহ্নৰ বিষয়ে বিৱৰণ দি স্বাক্ষৰৰ নমুনা পত্ৰখনত লিপিৰদ্ধ কৰিব লাগে।

৩) **পাছপোৰ্ট আকাৰৰ ফটো** (Passport size photograph) ঃ

আবেদন প্ৰ-পত্ৰৰ লগত এনেকুৱা ব্যক্তিৰ শেহতীয়া দুখন পাছপোৰ্ট আকাৰৰ ফটো পাব লাগিব। তাৰ এখন ফটো হিচাব খোলাৰ আবেদন প্ৰ-পত্ৰখনত লগাব লাগিব আৰু আনখন স্বাক্ষৰৰ নমুনা পত্ৰখনত লগাব লাগিব।

৪) **হিচাব পৰিচালনা** (Operation of the Account) ঃ

অশিক্ষিত ব্যক্তি এজনে হিচাবত টকা জমা দিওঁতে যিকোনো মানুহৰ সহায়ত দিব পাৰে। কিন্তু টকা উলিয়াবলৈ বেংকত নিজে পাছবুক সহকাৰে আহিব লাগিব। আহৰণ প্ৰ-পত্ৰখনত বেংক বিষয়াৰ উপস্থিতিত তেওঁৰ বাঁওহাতৰ বুঢ়া আঙুলিৰ ছাপটো মাৰিব লাগিব। অশিক্ষিত গ্ৰাহকৰ ক্ষেত্ৰত সাধাৰণতে বেংকে ধনাদেশৰ সুবিধা প্ৰদান নকৰে।

## (গ) **যৌথ হিচাব** (JOINT ACCOUNT) ঃ

যেতিয়া দুজন বা ততোধিক ব্যক্তিয়ে একেলগে তেওঁলোকৰ নামত এটা হিচাব খোলে, সেই হিচাবকেই যৌথ হিচাব বোলে। যৌথ হিচাব সাধাৰণতে হিচাবৰ ধাৰকৰ সুবিধাৰ বাবে খোলা হয়। কাৰণ, যৌথ হিচাবটো এজন বা আটাইবোৰ ব্যক্তিয়ে পৰিচালনা কৰিব পাৰে। উদাহৰণস্বৰূপে স্বামী-স্ত্ৰী অথবা একেলগে কৰা ব্যৱসায়ী ব্যক্তিয়ে এই হিচাব খোলা দেখা যায়। তেনে ক্ষেত্ৰত দুয়োজনৰ সুবিধাৰ বাবে যিকোনো এজন

ব্যক্তিয়ে হিচাবটো পৰিচালনা কৰিব পাৰে। হিচাব খোলাৰ সময়ত কোনে টকা আহৰণ আৰু ঋণ ল'ব, তাক স্পষ্টকৈ লিখিতভাৱে প্ৰকাশ কৰি বেংকক অৱগত কৰিব লাগে। আকৌ এই হিচাবৰ কোনো এজন ব্যক্তিৰ মৃত্যু, উন্মাদ বা দেউলীয়া হ'লে হিচাবৰ জমাধন কোনে কিমান পাব তাক আগতীয়াকৈ ঠিৰাং কৰি থ'ব লাগে।

**সতৰ্কতামূলক ব্যৱস্থাসমূহ** (Precautionary Measures) ঃ

যৌথ হিচাব খোলাৰ সময়ত বেংকে তলত উল্লিখিত সতৰ্কতামূলক ব্যৱস্থাসমূহ গ্ৰহণ কৰিব লাগে—

১) যৌথ হিচাব খুলিবলৈ ইচ্ছা প্ৰকাশ কৰা প্ৰত্যেকজন ব্যক্তিয়ে আবেদন প্ৰ-পত্ৰত স্বাক্ষৰ প্ৰদান কৰিব লাগিব।

২) যৌথ হিচাব পৰিচালনাৰ ক্ষেত্ৰত বেংকে আটাইকেইজন ব্যক্তিৰ সন্মতিসূচক স্বাক্ষৰ আৰু লিখিত স্পষ্ট নিৰ্দেশনা গ্ৰহণ কৰিব লাগিব।

৩) যিকোনো এজন যৌথ হিচাবৰ ধাৰকে যৌথ হিচাবত জাৰী (issue) কৰা ধনাদেশৰ পৰিশোধ বা আদায় বন্ধ কৰিব পাৰে। বেংকে তেনে আদেশ পালন কৰিব লাগিব।

৪) যেতিয়া হিচাবটোৰ কোনো এজনে আটাইকেইজনৰ হকে হিচাবটো পৰিচালনা কৰিব বিচাৰে, তেতিয়া বেংকত দাখিল কৰা সকলো নথি-পত্ৰত আটাইকেইজনৰ সম্পূৰ্ণ নাম লিখিব লাগিব।

৫) যৌথ হিচাব পৰিচালনা কৰা ব্যক্তিসকলে, লেনদেন, জমাৰ অতিৰিক্ত আহৰণ বা অগ্ৰিম লোৱাৰ ক্ষেত্ৰত কিবা নিৰ্দেশনা দিয়া আছে নেকি সেই বিষয়ে বেংক নিশ্চিত হ'ব লাগিব।

৬) যৌথ হিচাবত বিনিময় বিল আদি লেনদেন কৰাৰ ক্ষেত্ৰত বেংকক স্পষ্ট নিৰ্দেশনা দিব লাগিব।

৭) যৌথ হিচাবৰ কোনো এজন ব্যক্তিৰ মৃত্যু অথবা দেউলীয়া হ'লেও বেংকৰ হিচাব বন্ধ কৰি দিব লাগে।

### (ঘ) **অংশীদাৰী প্ৰতিষ্ঠান** (PARTNERSHIP FIRM) ঃ

ভাৰতীয় অংশীদাৰী আইন ১৯৩২ ৰ ধাৰা ৪ অনুসৰি অংশীদাৰী ব্যৱসায় হ'ল— দুজন বা ততোধিক ব্যক্তিৰ মাজত হোৱা এটা সম্পৰ্ক, যিসকলে ব্যৱসায়ত হোৱা লাভৰ অংশ ল'বলৈ সন্মতি প্ৰদান কৰে আৰু যাক সকলোৰে দ্বাৰা বা সকলোৰে হৈ এজনৰ দ্বাৰা পৰিচালনা কৰা হয়। অংশীদাৰী প্ৰতিষ্ঠান এটা অংশীদাৰীসকলৰ মাজত হোৱা চুক্তিৰ আধাৰত প্ৰতিষ্ঠা হয়। চুক্তিখন লিখিত বা মৌখিক হ'বও পাৰে। অংশীদাৰী প্ৰতিষ্ঠানে তেওঁলোকৰ ব্যৱসায় নিয়াৰিকৈ পৰিচালনা কৰাৰ উদ্দেশ্য এখন অংশীদাৰী চুক্তিপত্ৰ (partnership deed) প্ৰস্তুত কৰে।

এই চুক্তিপত্ৰত উল্লিখিত প্ৰতিগৰাকী ব্যক্তিক অংশীদাৰ হিচাপে গণ্য কৰা হয় আৰু সামগ্ৰিকভাৱে প্ৰতিষ্ঠান বুলি কোৱা হয়। এই প্ৰতিষ্ঠানৰ অংশীদাৰসকলৰ কোনো আইনগত সত্বা নাথাকে। এনে প্ৰতিষ্ঠানৰ অংশীদাৰ সৰ্বনিম্ন দুজন (২) আৰু সৰ্বোচ্চ সংখ্যা বিশজন (২০)ৰ অধিক হ'ব নোৱাৰে। এই চুক্তিপত্ৰত বেংকত হিচাব খোলাৰ সিদ্ধান্ত সম্পূৰ্ণভাৱে উল্লেখ থাকে। কিন্তু এনে প্ৰতিষ্ঠানৰ নামত বেংকে হিচাব খোলা আৰু পৰিচালনাৰ ক্ষেত্ৰত সকলো দিশৰ পৰা সতৰ্ক হ'ব লাগে।

**সতৰ্কতামূলক ব্যৱস্থাসমূহ** (Precautionary Measures) ঃ

অংশীদাৰী প্ৰতিষ্ঠানে বেংকত হিচাব খোলা আৰু পৰিচালনাৰ সময়ত বেংক এটাই তলত উল্লেখ কৰা সতৰ্কতামূলক ব্যৱস্থাসমূহ গ্ৰহণ কৰিব লাগে—

১) **অংশীদাৰী প্ৰতিষ্ঠানৰ নাম** (Titles of the firms' Account) ঃ

বেংকে অংশীদাৰী প্ৰতিষ্ঠানৰ নামতহে হিচাব খুলি দিব লাগে। কোনো অংশীদাৰৰ ব্যক্তিগত নামত প্ৰতিষ্ঠানৰ হিচাব খুলিবলৈ দিব নালাগে। এজন অংশীদাৰে নিজৰ নামত প্ৰতিষ্ঠানখনৰ হিচাব খোলাৰ কোনো অধিকাৰ নাই।

২) **হিচাব খোলাৰ আবেদন** (Application of opening of Account) ঃ

এজন বা ততোধিক অংশীদাৰৰ পৰা হিচাব খোলাৰ আবেদন প্ৰ-পত্ৰ গ্ৰহণ কৰি বেংকে হিচাব খুলিব পাৰে। কিন্তু বেংকে হিচাব খোলাৰ আগতে আবেদন পত্ৰখনত প্ৰতিগৰাকী অংশীদাৰক স্বাক্ষৰ কৰিবলৈ আহ্বান জনায়।

৩) **অংশীদাৰী চুক্তিপত্ৰৰ নকল প্ৰতিলিপি** (Copy of partnership Deed) ঃ

বেংকে অংশীদাৰী প্ৰতিষ্ঠানৰ হিচাব খোলাৰ সময়ত অংশীদাৰী চুক্তিপত্ৰৰ নকল প্ৰতিলিপি সংগ্ৰহ কৰিব লাগে। এই চুক্তিপত্ৰত উল্লেখ থকা বিভিন্ন দফাসমূহ ভালদৰে অধ্যয়ন কৰি বিভিন্ন ব্যৱস্থাসমূহ জানিব লাগে।

৪) **অংশীদাৰীৰ নিৰ্দেশক পত্ৰ** (The parternership letter of mandate) ঃ

বেংকে আটাইকেইজন অংশীদাৰৰ স্বাক্ষৰিত এখন নিৰ্দেশক পত্ৰ গ্ৰহণ কৰিব লাগে। এই নিৰ্দেশকপত্ৰখনত প্ৰতিষ্ঠানৰ নাম, সকলো অংশীদাৰৰ নাম, ঠিকনা, ব্যৱসায়ৰ প্ৰকৃতি ইত্যাদি উল্লেখ থাকে।

৫) **হিচাব পৰিচালনাৰ কৰ্তৃত্বৰ প্ৰত্যাহাৰ** (Revocation of authority to operate the Account) ঃ

অংশীদাৰী প্ৰতিষ্ঠানৰ যিকোনো এজন অংশীদাৰে বেংকক দিয়া জাননীৰ জৰিয়তে প্ৰতিষ্ঠানৰ হিচাবৰ লগত জড়িত অংশীদাৰৰ নাম প্ৰত্যাহাৰ কৰি প্ৰতিষ্ঠানৰ হিচাবত ধনাদেশ, পৰিশোধ বন্ধ কৰিব পাৰে। এনে ধৰণৰ নিৰ্দেশনা বেংকে গ্ৰাহ্য কৰিবলৈ বাধ্য।

৬) **হিচাব পৰিচালনাৰ কৰ্তৃত্ব প্ৰদান** (Delegation of Authority to operate the Account) ঃ

অংশীদাৰী প্ৰতিষ্ঠানৰ হকে বেংকৰ হিচাব কোনে পৰিচালনা কৰিব আৰু তেওঁৰ কৰ্তৃত্ব সম্পূৰ্ণভাৱে উল্লেখ থকা স্বাক্ষৰিত প্ৰ-পত্ৰ এখন বেংকে ৰাখি থ'ব লাগে। আনহাতে যিজন অংশীদাৰক ইতিমধ্যে কৰ্তৃত্ব দিয়া হৈছে, তেওঁ অন্য অংশীদাৰৰ সন্মতি নোলোৱাকৈ আন কোনো অংশীদাৰক কৰ্তৃত্ব দিব নোৱাৰে।

৭) **প্ৰতিষ্ঠানৰ হিচাবৰ সৈতে ব্যক্তিগত হিচাব একত্ৰিত নকৰা** (No mixing of personal account with the firm Account) ঃ

এজন অংশীদাৰৰ একে বেংকৰ শাখাতে ব্যক্তিগত হিচাব থাকিব পাৰে। কিন্তু কোনো অংশীদাৰে প্ৰতিষ্ঠানৰ নামত জমা দিয়া ধন কেৱল প্ৰতিষ্ঠানৰ হিচাবতহে জমা কৰিব লাগে। অংশীদাৰৰ ব্যক্তিগত হিচাবত জমা কৰিব নালাগে।

৮) **নতুন অংশীদাৰ ভৰ্ত্তিকৰণ** (Admission of a new partner) ঃ

যদি অংশীদাৰী প্ৰতিষ্ঠানখনত নতুন অংশীদাৰ ভৰ্ত্তি কৰা হয়, তেনেহ'লে বেংকে পুৰণি অংশীদাৰসকলৰ লগতে নতুন অংশীদাৰৰো এখন নতুনকৈ স্বাক্ষৰিত নিৰ্দেশক পত্ৰ বেংকে সংগ্ৰহ কৰিব লাগিব।

৯) **প্ৰতিষ্ঠানৰ ঋণৰ ক্ষেত্ৰত অংশীদাৰৰ দায়বদ্ধতা** (Liability of the partners in respect of firm's Debt) ঃ

অংশীদাৰী প্ৰতিষ্ঠানৰ অংশীদাৰসকলৰ দেনা অসীম। ইয়াৰ প্ৰতিজন অংশীদাৰে প্ৰতিষ্ঠানৰ দেনা পৰিশোধ কৰাটো বাধ্যতামূলক। সেয়েহে কিমান পৰিমাণৰ ঋণ বা অধিবিকৰ্ষ প্ৰতিষ্ঠানৰ হিচাবৰ বিপৰীতে ভৱিষ্যতে ল'ব, তাৰ সবিশেষ বিৱৰণ দি প্ৰতিজন অংশীদাৰে বিশদভাৱে বেংকক জনাব লাগিব।

১০) অংশীদাৰৰ অৱসৰ গ্ৰহণ, মৃত্যু বা দেউলীয়া ক্ষেত্ৰত (In cash of Retirement, death or Insolvency of a Partner) ঃ

কোনো অংশীদাৰৰ অৱসৰ গ্ৰহণ, মৃত্যু বা দেউলীয়াৰ জাননী পোৱাৰ পিছত, বেংকে প্ৰতিষ্ঠানৰ চুক্তি পত্ৰ অনুযায়ী হিচাব পৰিচালনা কৰিব লাগে।

## (ঙ) **কোম্পানী** (COMPANY) ঃ

কোম্পানী এটা হ'ল ব্যক্তি সমষ্টিৰ সংস্থা। কোম্পানীৰ আইন অনুসৰি কোম্পানী হ'ল— কোনো উদ্দেশ্য সাধনৰ বাবে বিভিন্ন ব্যক্তিৰ দ্বাৰা গঠিত এটা সংস্থা। যি সংস্থা, কোম্পানীৰ আইন অনুসৰি পঞ্জীয়নভুক্ত। কোম্পানী হ'ল ছীল-মোহৰযুক্ত, পৃথক আইনগত সত্ত্বাৰে গঠিত আইনসন্মত কৃত্ৰিম ব্যক্তিৰ পঞ্জীকৃত এক সংস্থা আৰু চিৰন্তন অস্তিত্ব প্ৰবাহমান। কোম্পানী আইন, ২০১৩ অনুসৰি কোম্পানী মানে হ'ল— "কোম্পানী

আইন, ২০১৩ বা যিকোনো পূৰ্বৱৰ্তী কোম্পানী আইনৰ অধীনত পঞ্জীয়নভুক্ত কোম্পানী”।

কোম্পানী এটাৰ পৃথক আইনগত সত্ত্বা থকা হেতুকে নিজৰ নামত বেংকত হিচাব খুলিব পাৰে।

**সতৰ্কতামূলক ব্যৱস্থাসমূহ** (Precautionery Measures) ঃ

বেংকত কোম্পানীয়ে হিচাব খোলাৰ সময়ত বেংকে ল'বলগীয়া সতৰ্কতামূলক ব্যৱস্থাসমূহ তলত উল্লেখ কৰা হ'ল—

১) **নথিপত্ৰ পৰীক্ষাকৰণ** (Examination of Documents) ঃ

যিহেতু কোম্পানী এটা কৃত্ৰিম ব্যক্তি, ইয়াৰ সংবিধান, ক্ষমতা আৰু উদ্দেশ্য, বিধি-বিধান ইত্যাদি সমূহ তলত উল্লেখ কৰা নথি-পত্ৰত সন্নিৱিষ্ট হৈ থাকে। গতিকে, বেংকে নথি-পত্ৰসমূহ পুংখানুপুংখভাৱে আৰু সাৱধানতাৰে পৰীক্ষা কৰাটো প্ৰয়োজন।

(ক) **নিগমৰদ্ধকৰণৰ প্ৰমাণপত্ৰ** (Certificate of Incorporation) ঃ

এইখন হৈছে কোম্পানী গঠনৰ প্ৰাথমিক নথি। এই প্ৰমাণপত্ৰখন যৌথ কোম্পানীৰ পঞ্জীয়কে প্ৰদান কৰে। এই প্ৰমাণপত্ৰখনত কোম্পানী পঞ্জীয়ন আৰু গঠনৰ তাৰিখ সম্পূৰ্ণভাৱে উল্লেখ থাকে। বেংকৰ বাবে কোম্পানীটো যে আইনগতভাৱে গঠন হৈছে, তাৰ উপযুক্ত প্ৰমাণপত্ৰ হৈছে এইখন।

(খ) **ব্যৱসায় আৰম্ভণিৰ প্ৰমাণ-পত্ৰ** (Certificate of Commencement of Business) ঃ

ৰাজহুৱা কোম্পানীবোৰে ব্যৱসায় আৰম্ভণি প্ৰমাণ-পত্ৰ লাভ কৰাৰ পিছতহে ব্যৱসায় আৰম্ভ কৰিব পাৰে। বেংকে এনে কোম্পানীৰ নামত হিচাব খোলাৰ প্ৰাথমিক অৱস্থাতে এই প্ৰমাণ-পত্ৰখন চালি-জাৰী চাব লাগে।

(গ) **স্মাৰক লিপি** (Memorandum of Association) ঃ

স্মাৰক লিপি এখন কোম্পানীৰ অতি গুৰুত্বপূৰ্ণ দলীল। এই দলীলক কোম্পানীৰ চনদ বা সংবিধান হিচাপে গণ্য কৰা হয়। স্মাৰকলিপিত কোম্পানী গঠনৰ প্ৰধান উদ্দেশ্য আৰু মৌলিক চৰ্তসমূহ লিপিৰদ্ধ কৰা থাকে। বেংকে কোম্পানীৰ উদ্দেশ্য ভালদৰে জানি ল'ব লাগিব। কাৰণ উদ্দেশ্যৰ পৰিসৰৰ বাহিৰত কোম্পানীয়ে কাম কৰিলে বেংকে দোষী সাব্যস্ত কৰিব নোৱাৰিব, যদিওবা এইক্ষেত্ৰত সকলো সদস্যই সন্মতি দিয়ে।

(ঘ) **আভ্যন্তৰীণ নিয়মাৱলী** (Articles of Association) ঃ

কোম্পানীৰ আভ্যন্তৰীণ কাম-কাজ পৰিচালনাৰ বাবে প্ৰস্তুত কৰা নীতি-নিয়মৰ দলীলখনক অৰ্ন্তলিপি বুলি কোৱা হয়। এই নথিৰ জৰিয়তে সা-সম্পত্তি বিক্ৰী, স্থানান্তৰ, বন্ধকী, পুঁজি আহৰণ, ঋণ গ্ৰহণৰ ক্ষমতা আদিৰ উপৰিও সঞ্চালকৰ ক্ষমতাৰ বিষয়ে উল্লেখ থাকে। বেংকে কোম্পানীৰ নামত হিচাব খোলাৰ

সময়ত এই নথিখন উপযুক্তভাৱে পৰ্যবেক্ষণ কৰিব লাগে।

(ঙ) **বাৰ্ষিক হিচাবৰ প্ৰতিলিপি** (Copies of Annual Accounts) ঃ

বেংকে কোম্পানীৰ আৰ্থিক অৱস্থাৰ বিষয়ে সঠিকভাৱে জানিব লাগে। ইয়াৰ উদ্দেশ্য কোম্পানীয়ে বেংকক শেহতীয়া কেইবছৰমানৰ বাৰ্ষিক হিচাবৰ প্ৰতিলিপি যোগান ধৰিব লাগে।

২) **আবেদন পত্ৰ আৰু সঞ্চালক মণ্ডলীৰ সিদ্ধান্তৰ প্ৰতিলিপি** (Application form and copies of the Board of Directors' resolution ঃ

কোম্পানীয়ে বেংকত হিচাব খুলিবৰ বাবে পূৰ্ণ কৰা নিৰ্দিষ্ট আবেদন প্ৰ-পত্ৰখনৰ সকলোদিশ সম্পূৰ্ণভাৱে পৰীক্ষা কৰি চাব লাগে। তাৰোপৰি বেংকে সঞ্চালক মণ্ডলীৰ সভাত গৃহীত সিদ্ধান্তৰ নকল প্ৰতিলিপি এটি সংগ্ৰহ কৰিব লাগে। এনে সিদ্ধান্তই নিৰ্দিষ্ট কৰি দিয়া বিষয়বস্তুসমূহ হ'ল—

(ক) ব্যক্তি বা ব্যক্তিসকলৰ নাম থকা কোম্পানীৰ হকে হিচাব পৰিচালনাৰ কৰ্তৃত্ব প্ৰদান।

(খ) ব্যক্তি বা ব্যক্তিসকলৰ নাম যিয়ে কোম্পানীৰ হকে নথিপত্ৰ আৰু জমা অধিকাৰৰ দলীলসমূহ কাৰ্যকৰী কৰাৰ কৰ্তৃত্ব লাভ কৰিব।

(গ) কোম্পানীৰ ঋণ গ্ৰহণৰ ক্ষমতা, ঋণ গ্ৰহণৰ সীমা আৰু অগ্ৰিম সুদৰ হাৰ।

৩) **কোম্পানীৰ ঋণ গ্ৰহণৰ ক্ষমতা** (Borrowing powers of the Company) ঃ

ব্যৱসায় কৰা সকলো কোম্পানীয়ে ঋণ গ্ৰহণ কৰাৰ ক্ষমতা থাকে। কিন্তু অব্যৱসায়ীক কোম্পানীৰ ঋণ গ্ৰহণৰ অধিকাৰ নাথাকে, যদিহে কোম্পানীৰ স্মাৰকলিপিত এনে ক্ষমতাৰ সম্পৰ্কে প্ৰকাশ নাথাকে। আভ্যন্তৰীণ নিয়মাৱলীৰ ভিত্তিত কোম্পানীৰ সঞ্চালকৰ ঋণ গ্ৰহণৰ ক্ষমতা থাকে। কোম্পানীৰ মুঠ ঋণৰ পৰিমাণ গড় হিচাবত মুক্ত সংৰক্ষিত পুঁজি আৰু পৰিশোধিত মূলধনতকৈ অধিক হ'ব নোৱাৰিব।

কোম্পানীটোৱে স্মাৰকলিপিত সন্নিবিষ্ট নিয়মাৱলীৰ ভিত্তিতহে ঋণ গ্ৰহণ কৰাটো বেংকে নিশ্চিত হ'ব লাগিব।

৪) **কোম্পানীৰ হিচাব আৰু ব্যক্তিগত হিচাব** (Company's Account and Personal Account) ঃ

কোম্পানী হিচাব পৰিচালনা কৰিবলৈ কৰ্তৃত্ব দিয়া ব্যক্তিজনৰ হিচাব আৰু কোম্পানীৰ হিচাব সুকীয়া হ'ব লাগিব। বেংকে কেতিয়াও কোম্পানীৰ হিচাবৰ ধন অন্য কোনো ব্যক্তিগত হিচাবলৈ স্থানান্তৰ কৰাৰ অনুমতি প্ৰদান কৰিব নালাগিব।

**বেংকিং লোকপাল আঁচনিৰ অৰ্থ** (Meaning of Banking Ombudsman Scheme ঃ

বেংকিং লোকপাল আঁচনিখন ভাৰতীয় ৰিজাৰ্ভ বেংকে ১৯৯৫ চনৰ ১৪ জুন তাৰিখে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। বেংকিং নিয়ন্ত্ৰণ আইন ১৯৪৯ চনৰ (Banking Regulation Act 1949) ৩৫-এ(ক) ধাৰা অনুসৰি এই আঁচনিখন প্ৰণয়ন কৰা হয়। এই আঁচনিখনৰ মুখ্য উদ্দেশ্য হ'ল— বেংকিং ব্যৱস্থাত বিভিন্ন পক্ষৰ মাজত উৎপত্তি হোৱা বিবাদসমূহৰ সুনিশ্চিত মীমাংসাৰ ব্যৱস্থা গ্ৰহণ কৰি সন্তুষ্টি প্ৰদান কৰা। বেংকিং লোকপাল আঁচনিয়ে ভাৰতৰ সকলো বাণিজ্যিক বেংক, আঞ্চলিক গ্ৰাম্য বেংক আৰু তালিকাভুক্ত প্ৰাথমিক সমবায় বেংক সমূহকো সামৰি লোৱাৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকে নিৰ্দেশ দিছে।

বৰ্তমান বেংকিং লোকপালে আগবঢ়োৱা সেৱাসমূহ অতি গুৰুত্বপূৰ্ণ।

১) **নিযুক্তি** (Appointment) ঃ

ভাৰতীয় ৰিজাৰ্ভ বেংকে এজন বা ততোধিক ব্যক্তিক বেংকিং লোকপাল হিচাপে নিযুক্তি দি তেওঁলোকৰ ওপৰত এই আঁচনিৰ কাৰ্যসমূহ সুচাৰুৰূপে সম্পাদন কৰাৰ দায়িত্ব অৰ্পণ কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৰাজ্যপালৰ তত্বাৱধানত বেংকিং লোকপালসকলে নিজৰ কাৰ্যকাল সম্পাদন কৰে। প্ৰাথমিক পৰ্যায়ত ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰায়বোৰ ৰাজ্যৰ ৰাজধানীত ২২ গৰাকী বেংকিং লোকপাল কাৰ্যালয় সহকাৰে নিযুক্তি দিয়ে।

২) **অৰ্হতা** (Qualification) ঃ

যিবিলাক ব্যক্তিৰ আইনগত, বেংকিং, বিত্তীয় সেৱা, চৰকাৰী প্ৰশাসন বা পৰিচালনাৰ খণ্ডত অতীৰ দক্ষতা বা অভিজ্ঞতা আছে, তেনে ব্যক্তিকহে বেংকিং লোকপাল হিচাপে নিযুক্ত কৰা হয়।

৩) **কাৰ্যকাল ঃ** বেংকিং লোকপালক তিনি বছৰৰ বাবে নিযুক্তি দিয়া হয়। যদিও প্ৰয়োজন সাপেক্ষে পুনৰ দুই বছৰৰ কাৰ্যকাল বৃদ্ধি কৰিব পাৰে। কিন্তু ব্যক্তিজনৰ বয়স ৬৫ বছৰতকৈ অধিক হ'ব নোৱাৰিব। বেংকিং লোকপালজনে কাৰ্যালয়ত নিয়মিতভাৱে কাৰ্য সম্পাদন কৰিব লাগে।

**বেংকিং লোকপালৰ ক্ষমতা আৰু কৰ্তব্যসমূহ**

(Powers and Duties of Banking Ombudsman) ঃ

১) **সাধাৰণ** (General) **ঃ**

বেংকিং লোকপালৰ সাধাৰণ ক্ষমতা আৰু কৰ্তব্য ঃ

(ক) বেংকিং সেৱা সন্দৰ্ভত ওজৰ-আপত্তিসমূহ গ্ৰহণ কৰা।

(খ) এই আঁচনিৰ জৰিয়তে বিভিন্ন ওজৰ-আপত্তিসমূহ বিবেচনা কৰি সন্তুষ্টি প্ৰদান কৰাৰ উপৰিও চুক্তিৰ দ্বাৰা সমাধান দিয়া বা দিহা-পৰামৰ্শ দিয়া বা ৰায়দান কৰা।

২) **নিৰ্দিষ্ট কৰ্তৃত্বৰ অন্তৰ্ভুক্ত** (Specific Ambit of Authority) ঃ

বেংকৰ সেৱাৰ ক্ষেত্ৰত বেংকিং লোকপালৰ কৰ্তৃত্বসমূহ হ'ল—

(ক) বেংকিং সেৱাৰ ক্ষেত্ৰত সাধাৰণতে হোৱা ওজৰ-আপত্তিসমূহৰ ভিতৰত ঃ

১) ধনাদেশ, বিল, ড্ৰাফ্‌ট আদি সংগ্ৰহকাৰী বেংকৰ হেমাহিৰ বাবে হোৱা অযথা বিলম্ব।

২) ক্ষুদ্ৰ ক্ষুদ্ৰ লেনদেনৰ টকা কোনো কাৰণ নোহোৱাকৈ বেংকবোৰে যদি অগ্ৰাহ্য কৰে নতুবা তেনেকুৱা কাৰ্য্যৰ বাবে দস্তুৰি আদায় লয়।

৩) কোনো গ্ৰাহক, অনুষ্ঠান, প্ৰতিষ্ঠান আদিক বেংক ড্ৰাফ্‌ট জাৰী নকৰিলে।

৪) ভাৰতীয় ৰিজাৰ্ভ বেংকৰ সময়সূচীমতে বেংকৰ শাখাবিলাক পৰিচালনা নহ'লে।

৫) বেংকৰ দ্বাৰা জামিন বা প্ৰত্যয় পত্ৰ গ্ৰাহ্য কৰাত অকৃতকাৰ্য্যতা হ'লে।

৬) জমা হিচাবৰ পৰা অকৰ্তৃত্বশীলভাৱে টকা আহৰণৰ বাবে বেংকে অনুমতি প্ৰদান কৰিলে।

৭) ভাৰতীয় ৰিজাৰ্ভ বেংকে দিয়া সকলো নীতি-নিৰ্দেশনা অনুসৰি সঞ্চয়ী, চলিত বা অন্যান্য হিচাবসমূহ বেংকে সুচাৰুৰূপে কাৰ্য্যকৰীকৰণ নকৰিলে বেংকৰ গ্ৰাহকে অভিযোগ কৰিব পাৰে।

৮) ৰপ্তানিকাৰীৰ ৰপ্তানি বিল আদিৰ লেনদেন কৰোতে আৰু বিল সংগ্ৰহ কৰোতে অযথা বিলম্ব কৰিলে।

৯) প্ৰবাসী ভাৰতীয়ৰ হিচাবৰ টকা-পইচাৰ লেনদেন, স্থানান্তৰ, জমাগ্ৰহণ বা প্ৰেৰণৰ লগতে অন্যান্য বেংকৰ লগত জড়িত ঘটনা সন্দৰ্ভত ওজৰ-আপত্তিসমূহ।

খ) ঋণ আৰু অগ্ৰিমৰ ক্ষেত্ৰত হোৱা বিভিন্ন ওজৰ-আপত্তিসমূহ হ'ল—

১) ভাৰতীয় ৰিজাৰ্ভ বেংকে সুতৰ ক্ষেত্ৰত দিয়া নীতি-নিৰ্দেশনা পালন নকৰাৰ বাবে।

২) সময়সূচী অনুযায়ী ঋণৰ আবেদনসমূহৰ ব্যৱস্থা গ্ৰহণ তথা অনুমোদন জনোৱাত অযথা বিলম্ব কৰা বাবে।

৩) ভাৰতীয় ৰিজাৰ্ভ বেংকে নিৰ্দিষ্ট উদ্দেশ্য সম্বন্ধে দিয়া সকলো নীতি-নিৰ্দেশনা পালন নকৰা হেতুকে।

গ) ভাৰতীয় ৰিজাৰ্ভ বেংকে মাজে সময়ে এই আঁচনিৰ অন্যান্য বিষয়সমূহ নিৰ্দিষ্ট কৰি দিব পাৰে।

——

## সাৰাংশ

- বেংকৰ 'গ্ৰাহক' শব্দটিয়ে কোনো ব্যক্তি বা প্ৰতিষ্ঠানক বুজায় যিয়ে বেংকত জমা হিচাব খোলে আৰু বেংকাৰৰ সৈতে বেংকিং লেনদেন কৰে। সাধাৰণতে বেংকৰ গ্ৰাহকক দুই ভাগত বিভক্ত কৰিব পাৰি—

  (১) সাধাৰণ গ্ৰাহক (২) বিশেষ গ্ৰাহক
- ১৮ বছৰ পূৰ্ণ নকৰা ব্যক্তি এজনক নাবালক হিচাপে গণ্য কৰা হয়।
- এজন নাবালকৰ নামত বেংকে সঞ্চয়ী বেংক হিচাব, স্থায়ী জমা হিচাব আৰু পৌনঃপুনিক জমা হিচাব খুলিব পাৰে।
- এজন নাবালকৰ নামত বেংকে ঋণ আৰু অগ্ৰিম মঞ্জুৰ কৰিব নালাগে।
- দুজন বা ততোধিক ব্যক্তিৰ নামত খোলা হিচাবটোক যৌথ হিচাব বোলে।
- সাধাৰণতে এজন অশিক্ষিত গ্ৰাহকক ধনাদেশ বহীৰ সুবিধা প্ৰদান কৰা নহয়।
- বেংকে প্ৰতিষ্ঠানৰ হিচাব আৰু অংশীদাৰৰ ব্যক্তিগত হিচাব একত্ৰিত কৰিব নালাগে।
- কোনো এজন অংশীদাৰৰ অৱসৰ, মৃত্যু বা দেউলীয়া হ'লে বেংকে হিচাব পৰিচালনা বন্ধ কৰিব লাগে।
- অশিক্ষিত ব্যক্তি এজনে স্বাক্ষৰৰ পৰিৱৰ্তে বাওঁহাতৰ বুঢ়া আঙুলিৰ ছাপ বা টিপ চহী স্বাক্ষৰৰ নমুনা হিচাপে বেংকক দিব লাগে।
- অশিক্ষিত বেংকৰ গ্ৰাহকে টকা আহৰণৰ সময়ত নিজে বেংকত উপস্থিতি হ'ব লাগে।
- এজন বেংকৰ গ্ৰাহকে টকা আহৰণৰ বাহিৰে অন্য কাৰ্যসমূহ মোবাইল ফোন আৰু ইণ্টাৰনেটৰ যোগেদি সম্পন্ন কৰিব পাৰে।
- বেংকিং লোকপালে বেংক আৰু গ্ৰাহকৰ মাজত হোৱা বিবাদ নিষ্পত্তি কৰে।
- বেংকিং লোকপাল আঁচনি ভাৰতবৰ্ষৰ সকলো তালিকাভুক্ত আৰু সমবায় বেংকৰ ক্ষেত্ৰত প্ৰযোজ্য হয়।
- বেংকিং লোকপালৰ দিহা-পৰামৰ্শ আৰু ৰায়দান গ্ৰহণ কৰাতো বেংক আৰু গ্ৰাহক উভয় পক্ষৰ ওপৰত নিৰ্ভৰ কৰে।

——

গোট - ৪

## <u>প্ৰশ্নাৱলী</u>

**(ক) অতি চমু উত্তৰ ঃ** *প্ৰতিটোত ১ নম্বৰ*

১) বেংকৰ গ্ৰাহকৰ অৰ্থ লিখা।

২) কোনটো হিচাবৰ যোগেদি বেংকে অধিবিকৰ্ষ মঞ্জুৰ কৰে।

৩) ATM ৰ পূৰ্ণ ৰূপটো লিখা।

৪) নাবালক কাক বোলে?

৫) এজন অশিক্ষিত ব্যক্তিয়ে বেংকৰ হিচাব খুলিব পাৰেনে?

৬) 'বেংকিং লোকপাল' শব্দটিৰ অৰ্থ কি?

৭) বেংকিং লোকপাল আঁচনি ভাৰতবৰ্ষত কোন চনত আৰম্ভ কৰা হৈছিল?

**(খ) খালী ঠাই পূৰণ কৰা ঃ** *প্ৰতিটোত ১ নম্বৰ*

(১) অন্য প্ৰকাৰৰ হিচাবৰ তুলনাত ———— হিচাবত অধিক সুদ প্ৰদান কৰা হয়।

(২) সাধাৰণতে ———— হিচাবত বেংকে সুদ প্ৰদান নকৰে।

(৩) জমা গ্ৰহণ আৰু ঋণ দিয়াটো হৈছে———— বেংকৰ প্ৰধান কাৰ্য।

(৪) এজন নাবালকে বেংকৰ গ্ৰাহক হ'ব——————।

(৫) প্ৰত্যেক কোম্পানীয়ে বেংকৰ গ্ৰাহক হ'ব —————।

(৬) এজন অশিক্ষিত ব্যক্তিয়ে বেংকত হিচাব খুলিব —————।

**(গ) চমু উত্তৰ দিয়া ঃ** *প্ৰতিটোত ২ নম্বৰ*

১) বিভিন্ন প্ৰকাৰৰ বেংক হিচাবসমূহ কি কি?

২) চলিত হিচাব কি?

৩) পৌনঃপুনিক হিচাব বুলিলে কি বুজা?

৪) যৌথ হিচাব কি?

৫) এ. টি. এম. কাৰ্ড ব্যৱহাৰৰ বিষয়ে লিখা।

৬) 'পে-ইন-শ্লিপ' বহী কি?

৭) বেংকিং লোকপাল আঁচনি কি?

৮) পাছ্-বুক কাক বোলে?

(ঘ) **দীঘলীয়া উত্তৰৰ প্ৰশ্ন (প্ৰকাৰ-১) ঃ** *প্ৰতিটোত ৫ নম্বৰ*

১) সঞ্চয়ী বেংক হিচাব আৰু চলিত জমা হিচাবৰ মাজত পাৰ্থক্য লিখা।

২) সঞ্চয়ী বেংক হিচাব আৰু স্থায়ী জমা হিচাবৰ মাজত পাৰ্থক্য লিখা।

৩) সঞ্চয়ী বেংক হিচাবৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি? আলোচনা কৰা।

৪) চলিত জমা হিচাবৰ প্ৰয়োজনীয় বৈশিষ্ট্যসমূহ লিখা।

(ঙ) **দীঘলীয়া উত্তৰৰ প্ৰশ্ন (প্ৰকাৰ-২) ঃ** *প্ৰতিটোত ৮ নম্বৰ*

১) সঞ্চয়ী বেংক হিচাব আৰু চলিত জমা হিচাব খোলাৰ পদ্ধতিসমূহ কি কি? আলোচনা কৰা।

২) পৌনঃপুনিক জমা হিচাব কি? পৌনঃপুনিক জমা হিচাবৰ আৱশ্যকীয় বৈশিষ্ট্যসমূহ কি কি? আলোচনা কৰা।

৩) নাবালকৰ নামত হিচাব খোলাৰ পদ্ধতিসমূহ আলোচনা কৰা ঃ

৪) অশিক্ষিত ব্যক্তিৰ নামত হিচাব খোলাৰ পদ্ধতিসমূহ আলোচনা কৰা ঃ

৫) যৌথ হিচাব খোলাৰ পদ্ধতিসমূহ আলোচনা কৰা ঃ

৬) অংশীদাৰী প্ৰতিষ্ঠানৰ নামত হিচাব খোলাৰ পদ্ধতিসমূহ আলোচনা কৰা ঃ

৭) কোম্পানীৰ নামত হিচাব খোলাৰ পদ্ধতিসমূহ আলোচনা কৰা ঃ

৮) ভাৰতবৰ্ষৰ বেংকিং লোকপাল আঁচনিৰ বিষয়ে ব্যাখ্যা কৰা।

——